# পালি-প্ৰাকৃত-অপভ্ৰংশ ভাষা আৰু সাহিত্য

ডঃ নগেন ঠাকুৰ

কে. এম. পাব্লিছিং

ধ্বনিগত ঃ

প্ৰাকৃতৰ ধ্বনি সংস্থানৰ লগত অৰ্থাৎ স্বৰধ্বনি আৰু ব্যঞ্জন ধ্বনিৰ ব্যৱহাৰৰ লগত অপভ্ৰংশৰ স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনিৰ পাৰ্থক্য নাই; কিন্তু ধ্বনিগত পৰিৱৰ্তন অপভ্ৰংশত বিশেষভাৱে হোৱা লক্ষ্য কৰা যায়। যেনে—

(ক) স্বৰৰ পাৰস্পৰিক স্থান গ্ৰহণ অৰ্থাৎ এটা স্বৰৰ ঠাইত অন্য এটা স্বৰৰ ব্যৱহাৰ অপভ্ৰংশৰ এক প্ৰধান ধ্বনিগত বৈশিষ্ট্য। হেমচন্দ্ৰই ইয়াকে কৈছে ঃ 'স্বৰাণাং স্বৰাঃ প্ৰায়োপভ্ৰংশে।' যেনে— তৃণ > প্ৰাকৃত— তিণ > অপভ্ৰংশ — তিণ, তণু, তিণ; পৃষ্ঠ > পুট্‌ঠি > পট্‌ঠি, পিট্‌ঠি, পুট্‌ঠি ইত্যাদি।

(খ) অন্ত্য ই-কাৰ আৰু উ-কাৰৰ অনুনাসিকতা, যেনে — ভনতি > ভণঁই, অঙ্গানি > অঙ্গইঁ, ভনিত > ভণিউঁ ইত্যাদি।

(গ) অন্ত্যস্থিত দীৰ্ঘস্বৰৰ হ্ৰস্বতা, যেনে— ইত্থী > ইত্থি, কমলা > কমল, সন্ধ্যা > সঞ্ঝ, গৰ্ভিণী > গব্ভিণি ইত্যাদি।

(ঘ) উ-কাৰৰ পূৰ্ববৰ্তী বা পৰৱৰ্তী ম-ৰ লোপ, যেনে— যমুনা > জউণা, দুৰ্গম> দুগ্‌গউ ইত্যাদি।

(ঙ) স্বৰসংকোচন অন্য এক স্বৰধ্বনিগত বৈশিষ্ট্য, যেনে— অন্ধকাৰে > অন্ধাৰি; ভাণ্ডাগাৰ > ভণ্ডাৰ; উষ্ণকাল > উণ্‌হাল; মৃত্তিকা > মট্টি; পিচ্ছিকা > পিচ্ছী ইত্যাদি।

স্বৰধ্বনি পৰিৱৰ্তনৰ দৰে ব্যঞ্জনধ্বনিৰ ক্ষেত্ৰতো নানান পৰিৱৰ্তন হোৱা লক্ষ্য কৰা যায় ঃ

(ক) স্বৰমধ্যৱৰ্তী '-ম' ৱঁ- হিচাপে ব্যৱহাৰ, যেনে— কুমৰ > কুৱঁৰ, গ্ৰাম > গাৱঁ, কমলং > কৱঁলু ইত্যাদি।

(খ) প্ৰাকৃতৰ যুগ্ম ব্যঞ্জনৰ এটা পূৰ্ব স্বৰ দীৰ্ঘত্বৰে অৰ্থাৎ ক্ষতিপূৰক দীৰ্ঘকৰণ (Compensatory Lengthening) বৈশিষ্ট্যৰে লোপ হোৱাৰ লক্ষণ, যেনে— সহস্ৰ >সহাস, ভৱিষ্য > ভৱীস।(এনে লক্ষণ দেখা গ'লেও সাধাৰণতে যুগ্ম ব্যঞ্জন ৰক্ষিত)

(গ) উদ্বৃত্ত স্বৰধ্বনিৰ ক্ষেত্ৰত 'ৱ' শ্ৰুতিৰ আগম অপভ্ৰংশৰ এক বিশেষ বৈশিষ্ট্য।প্ৰাকৃতত য় -শ্ৰুতিৰ প্ৰাধ্যান্য ঘটিছিল; 'ৱ'-শ্ৰুতি প্ৰাকৃতত দেখা পালেও অপভ্ৰংশতহে ইয়াৰ সম্প্ৰসাৰণ ঘটে; যেনে— সুত > প্ৰাকৃত— সুঅ > অপভ্ৰংশ > সুৱ,

সুভগ > প্ৰাকৃত — সুহঅ > অপভ্ৰংশ— সুহৱ;

(ঘ) য-ফলাৰ পৰিৱৰ্তন হয় পূৰ্ববৰ্ণক যুক্ত কৰি, যেনে— বাণিজ্য > বণিজ্জ।

(ঙ) ৱ-কাৰ উ-কাৰত পৰিৱৰ্তন, যেনে— স্বভাৱ > সহাউ, আহৱ > আহউ।

(চ) শ, ষ, স-ৰ 'হ' পৰিণত হোৱাৰ ব্যাপক প্ৰৱণতা; যেনে— এষ- > এহ; দ্বাদশ > বাৰহ, তস্য > তস্‌স, তাহ।

**শব্দৰূপগত ঃ**

(ক) সকলো শব্দৰূপেই অ-কাৰান্ত হিচাপে প্ৰতিষ্ঠা; এনেকি —ইন্ বা —উ-কাৰান্ত শব্দৰ শেষত অ-যুক্ত হৈ অ-কাৰান্ত শব্দৰূপৰ দৰে ৰূপ সাধন হয়।

(খ) বিভক্তিৰ পৰিৱৰ্তে বিভিন্ন কাৰকত অনুসৰ্গৰ ব্যাপক প্ৰয়োগ; যেনে— সমন্ধ পদত 'কেৰ', 'কেৰঅ'; কৰণত 'তণ', সোঁ, 'সহুঁ'; অধিকৰণত 'হোন্ত' 'হোন্তউ', 'হোন্তি', 'মাঝ', উপ্‌পৰি' ইত্যাদি।গতিকে বিভক্তিহীনতা অপভ্ৰংশৰ বৈশিষ্ট্য।

(গ) বিভিন্ন কাৰক একেকাৰ হৈ মুখ্যতঃ তিনিটা শ্ৰেণীত পৰিবৰ্তন, (ক) কৰ্তা-কৰ্ম (খ) কৰণ-অধিকৰণ (গ) সম্প্ৰদান-অপাদান-সমন্ধ।

(ঘ) লিংগ বিভেদ লুপ্ত, হ্ৰস্ব-দীৰ্ঘ স্বৰান্ত শব্দৰূপৰ পাৰ্থক্য নথকাত লিংগ ভেদৰ পাৰ্থক্য নোহোৱা হ'ল; স্ত্ৰীলিংগ শব্দই পুংলিংগৰ ৰূপ ল'লে; ক্লীৱলিংগ লপ্ত হ'ল।

(ঙ) স্বাৰ্থিক প্ৰত্যয়ৰ ব্যাপক প্ৰয়োগ। —অ, —ড, — উল্ল আদি স্বাৰ্থিক প্ৰত্যয়ৰ ব্যৱহাৰ অপভ্ৰংশত অধিক সুলভ; বিশেষকৈ — অ, (<—ক) আৰু —ড (<—ট)।

### ধাতুৰূপগত ঃ

প্ৰাচীন 'কাল' আৰু 'ভাব' বাচক দশ ল-কাৰৰ সীমিত প্ৰয়োগ অপভ্ৰংশৰ ধাতুৰূপৰ প্ৰধান বৈশিষ্ট্য। লট্ আৰু লোটৰ (বৰ্তমান আৰু অনুজ্ঞা) ব্যৱহাৰ প্ৰধানকৈ থাকিল; সম্ভাৱক বা বিধিলিঙ (Optative) আৰু ভৱিষ্যতৰ (লৃট) ব্যৱহাৰ সীমিত হ'ল। অতীতকাল বুজাবলৈ অতীতকালবাচক কৃদন্তৰ প্ৰয়োগ ঘটিল। — অল্ল —ইল্ল যোগ কৰিও অতীতকালৰ কৃদন্তক বিশিষ্টতৰ কৰি তোলা হ'ল; যেনে— গঅল্ল, গইল্ল (গ'ল অৰ্থত)

(খ) ক্ৰিয়া-বিভক্তিৰ আমূল পৰিৱৰ্তন ঘটিল; বৰ্তমান অনুজ্ঞা আৰু ভৱিষ্যতৰ ক্ষত্ৰত প্ৰাকৃতজাত বিভক্তি প্ৰয়োগ হ'লেও এইবোৰ পৰিৱৰ্তিত ৰূপত ব্যৱহাৰ হ'ল।

(গ) নিমিত্তাৰ্থক ক্ৰিয়া গঠনত প্ৰাকৃতত ব্যৱহাৰ হোৱা -উং (মহাৰাষ্ট্ৰী) —দুং (শৌৰসেনী), '—ত্তএ' বা '—ইত্তএ' (অৰ্ধ মাগধী) আদি ৰূপবোৰ অপভ্ৰংশত '— এৱং', '—অণ', '-অণহং', '-অণহিং', —এপ্পি', '—এপ্পিণু' '—এৱি' '—এৱিণু' আদি হিচাপে ব্যৱহাৰ হয়, যেনে— কৃ + তুম্ > প্ৰাকৃত - কাউং, কাদুং> অপভ্ৰংশ— কৰেৱং, কৰণ, কৰণঅং, কৰণহিং, কৰঁণহং, কৰেপ্পি, কৰেপ্পিণু, কৰেৱি, কৰেৱিণু ইত্যাদি।

(ঘ) ল্যৱৰ্থক অসমাপিকা বা পূৰ্বকালিক কৃদন্ত (Gerund) গঠনত প্ৰাকৃতৰ —ইঅ, —উণ, —দুণ, —দুঅ আদি অপভ্ৰংশত -ই, -ইউ, -ইৱি, -অৱি, -এপ্পি, -এৱি, -এপ্পিণু, -এৱিণু আদি হিচাপে ব্যৱহাৰ হয়, যেনে— কৃ + ত্ত্বা > প্ৰাকৃত— কৰিঅ কৰিউণ কৰিদুণ, কদুঅ>অপভ্ৰংশ— কৰি , কৰিউ, কৰিবি, কৰবি, কৰেপ্পি, কৰেপ্পিণু, কৰেৱিণু ইত্যাদি।

তুমৰ্থক (নিমিত্তাৰ্থক) আৰু ল্যৱৰ্থক অসমাপিকাৰ পাৰস্পৰিক বিনিময় অপভ্ৰংশৰ বৈশিষ্ট্য।

(ঙ) বৰ্তমান কালৰ কৃদন্ত প্ৰত্যয়, '— অন্ত'ৰ (শতৃ) প্ৰয়োগ প্ৰাকৃতৰ দৰেই অপভ্ৰংশতো আছে যদিও, ভৱিষ্যত কৃদন্তৰ ৰূপ বেলেগ। প্ৰাকৃতৰ ভৱিষ্যত কৃদন্তৰ ' — অব্ব'ৰ (সং '-তব্য' ঠাইত) অপভ্ৰংশত '-ইএব্বউং,' '-এব্বউং', 'এৱা' আদি ৰূপ প্ৰয়োগ হয়; যেনে— কৃ + তব্য > প্ৰাকৃত — কাঅব্ব, কাদব্ব > অপভ্ৰংশ— কৰিএব্বউং, কৰেব্বউং, কৰেৱা ইত্যাদি।

শব্দৰ ক্ষেত্ৰত অপভ্ৰংশৰ বৈশিষ্ট্য হ'ল নতুন নতুন অ-সংস্কৃত শব্দৰ ব্যৱহাৰ বা 'দেশী' বুলি পৰিচিত শব্দৰ প্ৰাচুৰ্য।

সংস্কৃতৰ প্ৰভাৱহীনতা অপভ্ৰংশৰ এক উল্লেখযোগ্য বৈশিষ্ট্য। তদুপৰি ছন্দৰ ক্ষেত্ৰত সমমাত্ৰিকতা আৰু অন্ত্যানুপ্ৰাস বৈশিষ্ট্যমূলক হিচাপে অপভ্ৰংশত আত্মপ্ৰকাশ কৰিল।

## অপভ্ৰংশৰ শব্দৰূপ

অপভ্ৰংশৰ শব্দৰূপৰ বৈশিষ্ট্য হ'ল ঃ

(ক) প্ৰাকৃতৰ দৰে অধিকাংশ শব্দই স্বৰান্ত প্ৰাতিপদিকত পৰিণত হ'ল যদিও প্ৰধানতঃ অ, ই, উ, এই তিনি জাতীয় স্বৰান্ত শব্দৰূপহে দেখা যায়; ইয়াৰ ভিতৰত অ-কাৰন্ত শব্দৰূপৰ প্ৰাধ্যন্য ঘটিল, অৰ্থাৎ অপভ্ৰংশত প্ৰধানতঃ শব্দৰূপ এটাই— অ-কাৰান্ত শব্দৰূপ। এনেকি -

ইন্-ভাগান্ত অথবা উ-কাৰন্ত শব্দৰ ক্ষেত্ৰতো শেষত -অ যুক্ত হোৱাৰ লক্ষণে দেখা দিয়ে; যেনে— স্বামিন্ > সামিঅ, গুৰু > গৰুঅ ইত্যাদি। দীৰ্ঘস্বৰান্ত যেনে— আ/-ঈ/-ঊ শব্দও যথাক্ৰমে হ্ৰস্ব স্বৰান্ত -অ/-ই /-উ হিচাপে দেখা দিয়ে।

(খ) হ্ৰস্ব-দীৰ্ঘৰ পাৰ্থক্য নথকাত লিংগৰ পাৰ্থক্য লোপ পালে; স্ত্ৰীলিংগ শব্দ অনেকাংশই পুংলিংগ ৰূপ ললে; ক্লীৱলিংগ লোপ পালে।

(গ) বিভিন্ন কাৰক একেকাৰ হৈ মুখ্য শ্ৰেণী তিনিটা হ'ল ঃ

(১) কৰ্তা কাৰক (২) কৰণ-অধিকৰণ (৩) সম্প্ৰদান-অপাদান -সম্বন্ধ।

কৰ্তা আৰু কৰ্মকাৰক প্ৰাকৃত স্তৰত পৃথক অস্তিত্বৰে ৰক্ষিত হ'লেও অপভ্ৰংশত একেকাৰ হৈ এটা সাধাৰণ মুখ্য কাৰকত পৰিণত হ'ল; অপাদান আৰু সম্প্ৰদান সম্বন্ধৰ লগত মিলি পৰিল; কৰণ কাৰকে অধিকৰণৰ সমৰূপ ললে।

(ঘ) বিভক্তি প্ৰয়োগত অপভ্ৰংশৰ নিজস্ব বৈশিষ্ট্য থকাৰ উপৰিও অনুপদৰ ব্যাপক প্ৰয়োগ হ'ল ঃ অপাদানত 'হোন্ত', 'হোন্তউ' 'হোন্তি', 'ঠিউ; সম্বন্ধত 'কেৰঅ', 'কেৰ' ; কৰণত 'তণ', 'সহুঁ'; অধিকৰণত 'মাঝ', 'উপ্পৰি' আদি অনুপদৰ ব্যৱহাৰৰ দ্বাৰা পদ গঠন হোৱাত অপভ্ৰংশত পদ গঠনৰ প্ৰক্ৰিয়া বিশ্লেষণমূলক (analytical) হৈ দেখা দিবলৈ ধৰিল।

## বিভিন্ন বিভক্তি

অপভ্ৰংশৰ বিভক্তি প্ৰয়োগৰ বৈশিষ্ট্য হ'ল — প্ৰথমা-দ্বিতীয়াৰ একবচনত বিভক্তিহীনতা বা 'উ' বিভক্তিৰ ব্যৱহাৰ; বহুবচনতো বিভক্তিহীনতা; তৃতীয়াৰ একবচনত -এঁ , -এণ; পঞ্চমীত -হুঁ, -হেঁ; সপ্তমীৰ একবচনত সংস্কৃতৰ 'স্মিন্' প্ৰাকৃতত '-ম্মি', '-ম্হি,' হৈছিল যদিও অপভ্ৰংশত হিঁ, -হী হ'ল; ষষ্ঠীৰ একবচনৰ '-স্য' প্ৰাকৃতত '-স্স' হৈছিল , কিন্তু অপভ্ৰংশত '-হো' হ'ল। তলত বিভক্তিবোৰ দেখুৱা হ'ল ঃ

| একবচন | বহুবচন |
|---|---|
| ১ মা— ০, উ | ০, আ |
| ২ য়া— উ, ং | ০, আ |
| ৩ য়া— এণ, এঁ | হি, হিং |
| ৪ র্থী—হো, সু (স্সু) | হুঁ, ণ |
| ৫ মী— হুঁ, হেঁ | হুঁ, হিঁ |
| ৬ ষ্ঠী— হো, সু (স্সু) | হুঁ, ণ |
| ৭মী— হিঁ, (মি) (ম্মি) | হিঁ |

# অপভ্ৰংশৰ ধাতুৰূপ

অপভ্ৰংশৰ ধাতুৰূপৰ বৈশিষ্ট্য হৈছে কাল আৰু ভাব প্ৰকাশক ল-কাৰৰ সীমিত প্ৰয়োগ। প্ৰাকৃত স্তৰত সংস্কৃত দশ ল-কাৰৰ লট্ , লোট্, লৃট্ আৰু বিধিলিঙ্ এই চাৰিটা অৱশিষ্ট আছিল যদিও অপভ্ৰংশ স্তৰত বিধিলিঙ্ প্ৰায় নাইকিয়া হ'ল। মুখ্য ল-কাৰ বৰ্তি থাকিল লট্ বা বৰ্তমান নিৰ্দেশক; লোট বা অনুজ্ঞা আৰু লৃট্ বা সাধাৰণ ভৱিষ্যত। ইয়াৰ ভিতৰত লট্ আৰু লোটেই মুখ্য। কৰ্তৃবাচ্য আৰু কৰ্মবাচ্য উভয়তে ৰূপ হব পাৰে। ভৱিষ্যত বা লৃট্ কৰ্তৃবাচ্যত প্ৰধানতঃ ৰূপ পোৱা যায়।

বিভক্তি প্ৰয়োগতো যথেষ্ট বৈশিষ্ট্য থকা দেখা যায়; প্ৰাচীন তিঙন্ত ৰূপৰ পৰিৱৰ্তে কৃদন্তৰূপৰ ব্যৱহাৰ যথেষ্ট হ'ল। কেৱল বৰ্তমান আৰু ভৱিষ্যত কালৰ ভিতৰত তিঙন্ত-উদ্ভৱ ৰূপবোৰৰ অস্তিত্ব থাকিল; অন্যকাল বুজাবলৈ কৃদন্তপদৰ সহায় লোৱা হ'ল; বিশেষকৈ অতীত কালৰ ভাব বুজাবলৈ অতীত কালবাচক কৃদন্ত (past participles) ব্যৱহাৰ হ'ল।

## অপভ্ৰংশ-অৱহট্‌ঠ ঃ

প্ৰাকৃত যুগৰ শেষ স্তৰত অৱহট্‌ঠ·লোক-জীৱনৰ দৈনন্দিন ব্যৱহাৰৰ ভাষা আছিল যদিও সাহিত্য-অনুশীলিত অপভ্ৰংশৰ আদৰ্শত ইয়াতো কালক্ৰমত বিভিন্ন ধৰ্মীয়-সম্প্ৰদায়ৰ দ্বাৰা বিবিধ গীত পদ ৰচিত হোৱাত ই শিষ্ট জনোচিত সাহিত্যিক-ৰূপ এটা লাভ কৰিছিল। সেয়েহে শব্দ-সম্ভাৰত কিছু অভিনৱত্ব আৰু ধ্বনিতত্ত্ব, ৰূপতত্ত্বত সৰল-পথগামী দুই-এক বৈশিষ্ট্যৰ বাহিৰে অপভ্ৰংশৰ আৰু অৱহট্‌ঠৰ মাজত বিশেষ মৌলিক প্ৰভেদ নাই, উদাহৰণ স্বৰূপে—

(ক) এক স্বৰৰ পৰিৱৰ্তে অন্য এক স্বৰৰ ব্যৱহাৰ অপভ্ৰংশ-অৱহট্‌ঠৰ দুয়োৰে লক্ষণ,

(খ ) অন্ত্যস্থিত দীৰ্ঘস্বৰৰ হ্ৰস্বত পৰিণত অপভ্ৰংশৰ দৰে অৱহট্‌ঠতো দেখা যায়।

(গ) অপভ্ৰংশৰ দৰে স্বৰ-সংকোচন, পদান্ত 'ম'ৰ ঠাইত 'ং' বা 'ৱঁ' হোৱা, সংযুক্ত 'ৰ'ৰ লোপ, পদান্ত 'ই' নাসিক্য হোৱা অৱহট্‌ঠৰো লক্ষণ;

ৰূপতত্ত্বৰ ক্ষেত্ৰতো এনে সাদৃশ্য পৰিলক্ষিত হয়; উদাহৰণ স্বৰূপে—

(ক) অ-কাৰান্ত শব্দৰ প্ৰথমা একবচনত 'উ' -ৰ বহুলতা, বিভক্তিহীন কাৰকৰ প্ৰয়োগ অপভ্ৰংশ-অৱহট্‌ঠৰ বৈশিষ্ট্য।

(খ) তুমৰ্থক আৰু ল্যৱৰ্থক অসমাপিকাৰ পাৰস্পৰিক বিনিময় অৰ্থাৎ দুই ক্ষেত্ৰত '-এৱি' '-এৱিণু', '-এপ্পি', '-এপ্পিণু' আদি প্ৰয়োগ হোৱা দেখা যায়।

অপভ্ৰংশৰ এনে বৈশিষ্ট্য অৱহট্‌ঠতো দেখা যায় যদিও অৱহট্‌ঠৰ নিজস্ব বৈশিষ্ট্যও ফুটি নুঠাকৈ থকা নাই, উদাহৰণ স্বৰূপে—

(ক) একোটা শব্দ দুই তিনিটা ৰূপত ব্যৱহাৰ হোৱা অৱহট্‌ঠৰ প্ৰধান বৈশিষ্ট্য; এনে ব্যৱহাৰে ভাষাটোৰ কথ্য-ধৰ্মী গুণ প্ৰকাশ কৰিছে। একে অৰ্থবোধক শব্দ ধ্বন্যাত্মক ৰূপতো প্ৰয়োগ হোৱা দেখা যায়।

(খ) যৌগিক ক্ৰিয়া আৰু যৌগিক কৰ্মবাচ্য ব্যৱহাৰ অৱহট্‌ঠত দেখা পোৱা যায়; ই অৱহট্‌ঠত নতুনকৈ আবিৰ্ভাৱ হোৱা বৈশিষ্ট্য।

(গ) —তব্য -প্ৰত্যয়ান্ত শব্দ সম্ভাৱক আৰু ভৱিষ্যতৰ অৰ্থত ব্যৱহাৰ।

(ঘ) কাৰক প্ৰয়োগত অৱহট্‌ঠৰ নিজস্ব বৈশিষ্ট্য দেখা যায়। কাৰক প্ৰয়োগ প্ৰধানতঃ তিনিটা ঃ কৰ্তা-কৰ্ম, কৰণ-অধিকৰণ আৰু সম্বন্ধ। পঞ্চমীৰ প্ৰয়োগ নাই। তৃতীয়া আৰু সপ্তমীৰ অৰ্থগত পাৰ্থক্য ৰক্ষিত হৈছে যদিও বিভক্তি প্ৰয়োগত পাৰ্থক্য নাইকিয়া হৈ পৰিছে। '-ই' বিভক্তি তৃতীয়া আৰু সপ্তমীৰ উভয়তে প্ৰয়োগ কৰা হৈছে।

(ঙ) অসমাপিকাৰ ৰূপ গঠনত 'ই' প্ৰত্যয়ৰ ব্যৱহাৰ , পুৰুষ-বাচক সৰ্বনাম 'তিনি', 'জিণি'ৰ প্ৰয়োগ; 'কিম', 'জিম' 'তিম' আদিৰ সৰ্বনামীয় প্ৰয়োগ অৱহট্‌ঠৰ অন্যতম উল্লেখযোগ্য বৈশিষ্ট্য।